প্ৰঃ সামাজিক দল কি? ই কেই প্ৰকাৰ আৰু কি কি?

সামাজিক দল বুলিলে সাধাৰণতে কোনো এটা উমৈহতীয়া উদ্দেশ্য সাধনৰ বাবে একত্ৰিত হোৱা ব্যক্তি সমষ্টিকে বুজায়। সামাজিক দলৰ সদস্যসকলৰ মাজত তেজৰ সম্পৰ্ক নাথাকিলেও পাৰস্পৰিক বুজাপৰাৰ মাধ্যমেৰে তেওঁলোক একতাৰ ডোলেৰে বান্ধ খাই থাকে। এই দলৰ আকাৰ ডাঙৰ বা সৰু হব পাৰে।

সামাজিক দল সাধাৰণতে দুই প্ৰকাৰৰ- (১) প্ৰাথমিক সামাজিক দল আৰু (২) মাধ্যমিক সামাজিক দল।

প্ৰঃ প্ৰাথমিক সামাজিক দল কি? ইয়াৰ বৈশিষ্ট্যবোৰ লিখা।

যি প্ৰকাৰৰ সামাজিক দলত তেজৰ সম্পৰ্ক থকা সদস্যসকলে কোনো এটা উমৈহতীয়া উদ্দেশ্য সাধনৰ বাবে একত্ৰিত হয় তাকেই প্ৰথমিক সামাজিক দল বোলে। এই প্ৰকাৰৰ সামাজিক দলৰ বান্ধোন বৰ কটকটীয়া হয়।
উদাহৰণ স্বৰূপে- পৰিয়াল।

১। এই দলৰ সদস্যসকলৰ মাজত ওচৰ আবেগিক সম্পৰ্ক থাকে।
২। দলৰ সদস্যসকলে উমৈহতীয়া ৰান্ধনিঘৰ ব্যৱহাৰ কৰে।
৩। এই দলৰ আকাৰ সৰু হয়।
৪। প্ৰাথমিক সামাজিক দলৰ স্থায়ী ধৰণৰ।
৫। এই দলৰ সদস্যসকলৰ মাজত তেজৰ সম্পৰ্ক থকাৰ পাৰস্পৰিক সম্বন্ধ কঠোৰ হয়।

প্ৰঃ মাধ্যমিক সামাজিক দল কি? ইয়াৰ বৈশিষ্ট্য বোৰ কি কি?

যি প্ৰকাৰৰ সামাজিক দলৰ সদস্যসকলে তেজৰ সম্পৰ্ক নথকাকৈও কোনো এটা উমেহতীয়া উদ্দেশ্য সাধনৰ বাবে পাৰস্পৰিক বুজাপৰাৰ মাধ্যমেৰে একত্ৰিত হয় তাকেই মাধ্যমিক সামাজিক দল বোলে। এই দলৰ সদস্যসকলে কেৱল নিৰ্ধাৰিত উদ্দেশ্য সাধনৰ বাবেহে একত্ৰিত হয়। উদাহৰণ স্বৰূপে- ৰাজনৈতিক দল, ছাত্ৰ সংগঠন ইত্যাদি।

১। এই দলৰ সদস্যসকলৰ মাজত তেজৰ সম্পৰ্ক নাথাকে।
২। এই দলৰ আকাৰ বৃহৎ ধৰণৰ হয়। ৩। এই দলৰ সদস্যসকলৰ মাজত আবেগিক সম্পৰ্ক নাথাকে।
৪। এই দলৰ স্থায়িত্বতা নাথাকে।
৫। এই দলৰ সদস্য সকলে উমৈহতীয়া উদ্দেশ্য সাধনৰ বাবেহে একতিত হয়।